**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

শিৱসাগৰ জিলাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ কালি সামৰণি পৰে। অন্তিম দিনৰ কাৰ্যসূচীত তলাতল ঘৰৰ বাকৰিৰ পৰা এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। লোক সংস্কৃতিৰ সাধক তথা শিক্ষাবিদ ড° অনিল শইকীয়াই উদ্বোধন কৰা অসমৰ বাৰেৰহনীয়া সংস্কৃতিক প্ৰতিফলিত কৰা এই শোভাযাত্ৰাত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাকে ধৰি বিভিন্ন জিলাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। শোভাযাত্ৰাত অসমৰ উপৰি মণিপুৰ, নাগালেণ্ড আৰু উত্তৰ-পূবৰ অন্যান্য ৰাজ্যসমূহৰ সংস্কৃতিকো উপস্থাপন কৰা হয়। আহোম যুগৰ ঐতিহাসিক মুহূৰ্তসমূহৰ লগতে জয়মতী আৰু চ্যুকাফাৰ প্ৰতীকি উপস্থাপনে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা এই শোভাযাত্ৰাৰ বৰ্ডিং খেলপথাৰত সামৰণি পৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত ছাত্ৰ সন্থাৰ সদস্যসকলে পথৰুঘাটৰ কৃষক বিদ্ৰোহত প্ৰাণ আহুতি কৃষক ছহিদসকলক সুঁৱৰি ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত সন্থাৰ সাধাৰণ সভা উপলক্ষে প্ৰকাশিত তিনিখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। ড° জ্যোতিপ্ৰসাদ শইকীয়া, ড° সৌমাৰজ্যোতি মহন্ত আৰু ড° সব্যসাচী মহন্তই অংশগ্ৰহণ কৰা মুকলি সভাখনত আছুৰ মুখ্য উপদেষ্টা আৰু সভাপতিৰ উপৰি নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত থাকে।

০০০০০০

অসম সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য–সংস্কৃতি তথা জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে সদস্য মহিয়ান, সাহিত্যচাৰ্য আৰু জাতীয় কবি সন্মান প্ৰাপকৰ নাম ঘোষণা কৰিছে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰনাথ শৰ্মাই প্ৰাচ্যতত্ত্ববিদ বিশিষ্ট সাহিত্যিক, অধ্যাপক থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকালৈ সদস্য মহিয়ান সন্মান আগবঢ়োৱা হৈছে বুলি অৱগত কৰে। একেদৰে গৱেষক, সাহিত্যিক, অধ্যাপক আনন্দ বৰমুদৈ, বিশিষ্ট সাহিত্যিক, অধ্যাপক ইদ্ৰিছ আলী, বিশিষ্ট ভাষাবিদ, অধ্যাপক ভীমকান্ত বৰুৱা আৰু গৱেষক সাহিত্যিক, অধ্যাপক কৰবী ডেকা হাজৰিকাক সাহিত্যচাৰ্য সন্মান প্ৰদান কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে। কাইলৈ অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ত হ'বলগীয়া সমাৱৰ্তন, ২০২৫ অনুষ্ঠানত এই সন্মানসমূহ আগবঢ়োৱা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট কবি সাহিত্যিক আনিছ উজ জামানক জাতীয় কবিৰ সন্মান প্ৰদান কৰা হ'ব।

০০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা দেশৰ অন্যতম ধৰ্মীয় মহোৎসৱ মহাকুম্ভ মেলালৈ কাইলৈ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামীৰ নেতৃত্বত মাজুলীৰ আউনীআটী সত্ৰৰ এটা ৪০জনীয়া বৈষ্ণৱ শিল্পীৰ দল ৰাওনা হ'ব। দলটোৱে কুম্ভমেলাত মাজুলী সত্ৰীয়া পৰিবেশ আৰু সত্ৰিয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। তেওঁলোকে

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি ৰামবিজয় নাট পৰিবেশন কৰিব। ইয়াৰ লগতে আউনীআটী সত্ৰৰ অপ্সৰা নৃত্য, ভাগৱত ব্যাখ্যা আৰু হীৰা নামো দলটোৱে পৰিবেশন কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত ইতিপূৰ্বেও অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভালেসংখ্যক ধৰ্মগুৰু তথা পুৰোহিতে অংশগ্ৰহণ কৰিছে। অসমৰ পৰা ইয়াৰ আগেয়ে ১২৮গৰাকী বৈষ্ণৱ মহাকুম্ভলৈ গৈছে। গংগা, যমুনা ।ৰু সৰস্বতী নদীৰ ত্ৰিবেণী সংগমস্থলীত আয়োজিত এই মহাকুম্ভ মেলাত গুৰুজনাৰ অমৰ সৃষ্টি নামঘৰ প্ৰতিষ্ঠা কৰাৰ লগতে হৰিনামৰ ধ্বনিৰে অঞ্চলটো মুখৰ হৈ উঠিছে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত সত্ৰখনৰ পৰা যোৱা পাঁচগৰাকী বৈষ্ণৱে ১৬ দিনত নিৰ্মাণ কৰি উলিওৱা নামঘৰত ২১ জানুৱাৰীত আৰম্ভ হোৱা ভাগৱত পাঠৰ কালি সামৰণি পৰে।

oooooo

সাপ আৰু মানুহৰ সহাৱস্থান, নীতিগতভাৱে সাপ উদ্ধাৰ আৰু সৰ্পদংশন প্ৰতিৰোধী দক্ষতা বৃদ্ধিৰ উদ্দেশ্যেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত কঁহৰাত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত কাজিৰঙা, নগাঁও, বিশ্বনাথ, শিৱসাগৰ, গোলাঘাট, ডিব্ৰুগড় আৰু তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী প্ৰকৃতিপ্ৰেমী আৰু বন বিষয়াই অংশগ্ৰহণ কৰে। দা মাদ্ৰাছ ক্ৰক'ডাইল বেংক ট্ৰাষ্টৰ বিশেষজ্ঞ ড° জ্ঞানেশ্বৰ শ্বই সৰ্প উদ্ধাৰৰ উন্নত কৌশল, সৰ্প দংশনৰ ফলপ্ৰসু প্ৰাথমিক চিকিৎসা, মানুহ আৰু সাপৰ সহৱস্থানৰ সংযোগী কৌশল আৰু সাপ সংৰক্ষণ তথা পুনৰবাসনৰ কৌশলসমূহ সন্দৰ্ভত প্ৰশিক্ষণ আগবঢ়ায়। কাৰ্যসূচীত সাপ উদ্ধাৰকাৰী কিট বিতৰণ কৰাৰ লগতে উদ্ধাৰকাৰীসকলক দক্ষতাৰ কাৰণে প্ৰয়োজনীয় সকলো সুবিধা আগবঢ়োৱাৰ নিশ্চয়তা প্ৰদান কৰা হয়।

ooooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ ভিত্তিত কালি শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে ৰাজ্যত এন্দুৰৰ গাঁত সদৃশ খনন বন্ধ কৰাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। শুনানি কালত মহাধিবক্তা দেৱজিৎ শইকীয়াই উমৰাংছ'ৰ কয়লাখনিত সংঘটিত ঘটনাৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এজনীয়া আয়োগ গঠনকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য পদক্ষেপসমূহ ন্যায়ালয়ক অৱগত কৰে। ইয়াৰ পাছতে ন্যায়ালয়ত অহা ৭ ফেব্ৰুৱাৰীত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনা চৰকাৰে এনেধৰণৰ খনন বন্ধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সন্দৰ্ভত ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

ooooooo

**সমাপ্ত**